**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-07-2025 **Time : ** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অপাৰেচন সিন্দূৰকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ মাজতে লোকসভা আৰু ৰাজ্যসভাৰ অধিৱেশন আজি বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি গ্ৰহণ কৰা জগদীপ ধনখড়ৰ সুস্বাস্থ্য কামনা কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শ্ৰী ধনখড়ৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰি গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিছে।

৩। ভৱিষ্যতৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে প্ৰচাৰ ভাৰতীয়ে বাতৰি কক্ষত কৃত্ৰিম বুদ্ধিমত্তা চালিত সমাধানৰ পাইলট প্ৰকল্প ৰূপায়ন কৰিছে বুলি প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে প্ৰকাশ কৰিছে।

৪। বাংলাদেশৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ২৭ লৈ বৃদ্ধি পাইছে। আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ মহিলাৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ চূড়ান্ত খেলখন আজি ইংলেণ্ডৰ চেষ্টাৰ-লে-ষ্ট্ৰীটত খেলোৱা হ'ব।

ooooooooo

বিৰোধী পক্ষ্যৰ সাংসদসকলে বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ মাজতে লোকসভা আৰু ৰাজ্যসভাৰ অধিৱেশন আজি বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়। প্ৰথমবাৰ সদন স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত লোকসভাৰ অধিৱেশন আৰম্ভ হোৱাৰ সময়ত বিৰোধীপক্ষৰ সাংসদসকলে অপাৰেচন সিন্দূৰ আৰু বিহাৰৰ বিশেষ প্ৰগাঢ় পৰ্যালোচনা এছ আই আৰকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনাৰ বাবে দাবী জনাই পুনৰ শ্লোগান দিবলৈ আৰম্ভ কৰে। এনে দাবীসমূহৰ সমৰ্থনত শ্লোগান দি সদনৰ মজিয়ালৈ উঠি অহা সাংসদসকলক অধিৱেশনৰ কামকাজ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰিবলৈ অধ্যক্ষৰ আসনত থকা বিজেপি সাংসদ জগদম্বিকা পালে অনুৰোধ জনায় যদিও সাংসদসকলে তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰাখে। সংসদীয় দপ্তৰৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালেও নিয়মানুসাৰে সকলো বিষয় আলোচনা কৰিবলৈ চৰকাৰ প্ৰস্তুত বুলি উল্লেখ কৰি তেওঁলোকক সদনৰ কামকাজ চলাই নিয়াত সহযোগ কৰিবলৈ অনুৰোধ জনায়। তৎসত্বেও বিৰোধীপক্ষৰ সাংসদসকলে প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ নকৰাত অধ্যক্ষই বিয়লি দুই বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

একেদৰে ৰাজ্যসভাতো বিৰোধীপক্ষৰ সাংসদসকলে বিভিন্ন বিষয়ক লৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ ফলত অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হয়। প্ৰথমবাৰ স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱা সময়তে একেধৰণৰ বিষয় উত্থাপন কৰি তেওঁলোকে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ মাজতে অধ্যক্ষৰ আসনত থকা বিজেপি

সাংসদ ঘনশ্যাম তিৱাৰীয়ে সদনৰ প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। ইয়াৰ মাজতে অধ্যক্ষগৰাকীয়ে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ সন্দৰ্ভত গৃহমন্ত্ৰালয়ে প্ৰকাশ কৰা জাননীৰ বিষয়ে সদনক অৱগত কৰায় আৰু পৰৱৰ্তী সময়ত তেওঁ বিয়লি দুই বজালৈ সদন স্থগিত ৰখা বুলি ঘোষণা কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি গ্ৰহণ কৰা জগদীপ ধনখড়ৰ সুস্বাস্থ্য কামনা কৰিছে। স্বাস্থ্যজনিত কাৰণত পদত্যাগ কৰা উপ-ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে দেশৰ উপৰাষ্ট্ৰপতিকে ধৰি ভিন ভিন পদবীত কাৰ্যনিৰ্বাহৰ জৰিয়তে শ্ৰী ধনখড়ে দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ ভালেমান সুযোগ লাভ কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কালি স্বাস্থ্যজনিত কাৰণত পদত্যাগ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুলৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰীধনখড়ে উল্লেখ কৰে যে চিকিৎসকৰ পৰামৰ্শ অনুসৰি স্বাস্থ্যৰ যত্ন লোৱাৰ বাবে তেওঁ তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি বিচাৰিছে। তেওঁৰ কাৰ্যকালত আগবঢ়োৱা সহায়-সমৰ্থনৰ বাবেও শ্ৰীধনখড়ে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীধনখড়ে একেদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ প্ৰতিও তেওঁ কৃতজ্ঞতা জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সহযোগিতা আৰু সমৰ্থনক অমূল্য বুলি অভিহিত কৰি তেওঁ কয়, যে শ্ৰীধনখড়ে তেওঁৰ কাৰ্যকালত যথেষ্ট অভিজ্ঞতা অৰ্জন কৰিছে। শ্ৰীধনখড়ে সংসদৰ সদস্যসকলৰ পৰা পোৱা সমৰ্থন, বিশ্বাস আৰু স্নেহ সহায় মনত ৰাখিব বুলিও উল্লেখ কৰে।

ভাৰতৰ দৰে বৃহৎ গণতন্ত্ৰৰ এখন দেশত উপ-ৰাষ্ট্ৰপতি হিচাপে লাভ কৰা অমূল্য অভিজ্ঞতাৰ বাবে শ্ৰীধনখড়ে সকলোৰে প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে কয়, যে ভাৰতৰ অৰ্থনৈতিক অগ্ৰগতি আৰু উন্নয়নৰ সাক্ষী হ'বলৈ পোৱাটো তেওঁৰ বাবে সন্তুষ্টিৰ কাৰণ। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ইতিমধ্যে তেওঁৰ পদত্যাগ পত্ৰ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰি প্ৰয়োজনীয় কাৰ্যব্যৱস্থাৰ বাবে গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিছে।

০০০০০০০০০

নিৰ্বাচন আয়োগে বিহাৰত সম্পাদন কৰা বিশেষ প্ৰগাঢ় পৰ্যালোচনা এছ আই আৰৰ বিৰুদ্ধে বিৰোধী পক্ষৰ সাংসদসকলে আজি সদনৰ মকৰদ্বাৰত প্ৰতিবাদ সাব্যস্ত কৰে। লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়েও অংশগ্ৰহণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত  প্ৰতিবাদকাৰী সাংসদসকলে বিভিন্ন প্লেকাৰ্ড প্ৰদৰ্শন কৰি আৰু শ্লোগান দি এনে পৰ্যালোচনাৰ আইনসংগত যুক্তি দাঙি ধৰিবলৈ চৰকাৰক দাবী জনায়। তেওঁলোকে লগতে এই প্ৰক্ৰিয়া প্ৰত্যাহাৰ কৰাৰ বাবেও দাবী উত্থাপন কৰে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ৰাষ্ট্ৰীয় জনতা দল, তৃণমূল কংগ্ৰেছ, ডি এম কে আৰু আন ভিন ভিন দলৰ সাংসদসকলে অংশগ্ৰহণ কৰে।

০০০০০০০০০

বহনক্ষম নিয়োগ ব্যৱস্থা আৰু ঘৰুৱা আয় উন্নত কৰাৰ লক্ষ্যৰে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত কেন্দ্ৰীয় চৰকাৰে সফলতা লাভ কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি লোকসভাত উত্থাপিত এটা প্ৰশ্নৰ লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ মজুতৰ পৰিমাণ বৃদ্ধিত গুৰুত্ব আৰোপ কৰাৰ লগতে মুকলি বজাৰত ক্ৰয় কৰা শস্যৰ কৌশলগত বিক্ৰী আৰু নিৰ্বাচিত খাদ্য-সামগ্ৰীৰ খুচুৰা বিক্ৰীৰ ক্ষেত্ৰত ৰাজ সাহায্য প্ৰদান কৰিছিল। শ্ৰীমতী সীতাৰমণে লগতে কয়, যে এই পদক্ষেপসমূহৰ জৰিয়তে ২০২৩-২৪ চনত

মুদ্ৰাস্ফীতিৰ হাৰ ৫ দশমিক ৪ শতাংশৰ পৰা ২০২৪-২৫ চনত ৪ দশমিক ৬ শতাংশ পৰ্যন্ত হ্ৰাস কৰাটো সম্ভৱপৰ হৈছে।

000000000

প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া তথা এছিয়া-পেচিফিক ইনষ্টিটিউট ফৰ ব্ৰডকাষ্টিং ডেভেলপমেণ্ট (এআইবিডি) ৰ সাধাৰণ সন্মিলনৰ সভাপতি গৌৰৱ দ্বিবেদীয়ে কয় যে প্ৰসাৰ ভাৰতীয়ে ভৱিষ্যতৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে বাতৰি কক্ষত কৃত্ৰিম বুদ্ধিমত্তা-চালিত সমাধানৰ পাইলট প্ৰজেক্ট ৰূপায়ন কৰিছে । কম্বোডিয়াৰ ছিম ৰিপত ২০ সংখ্যক এছিয়া মিডিয়া সন্মিলনৰ উদ্বোধনী অধিবেশনৰ সময়ত শ্ৰী দ্বিবেদীয়ে এই কথা কয়। তেওঁ আলোকপাত কৰে যে কৃত্ৰিম বুদ্ধিমত্তাৰ দ্ৰুত বিৱৰ্তনে বাতৰি আৰু সম্প্ৰচাৰ উদ্যোগক মৌলিকভাৱে নতুন ৰূপ দিছে। তেওঁ লগতে কয় যে এই লক্ষ্যৰে প্ৰসাৰ ভাৰতীয়ে স্বয়ংক্ৰিয় কন্টেন্ট কিউৰেচন আৰম্ভ কৰিছে, তথ্য-পৰীক্ষা বৃদ্ধি কৰিছে, আৰু গভীৰ কাহিনী কোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

শ্ৰী দ্বিবেদীয়ে মন্তব্য কৰে যে ভাৰতত জনসেৱা সম্প্ৰচাৰৰ মূলতে আছে সকলোকে সামৰি লোৱাৰ নীতি। তেওঁ আলোকপাত কৰে যে দূৰদৰ্শনৰ ফ্ৰী ডিচ প্লেটফৰ্ম আৰু আকাশবাণীৰ ডিজিটেল পদক্ষেপে প্ৰসাৰতা বৃদ্ধি কৰিছে আৰু প্ৰতিজন নাগৰিকে বিশ্বাসযোগ্য বাতৰি, শিক্ষা, আৰু মনোৰঞ্জনৰ সুবিধা লাভ কৰাটো নিশ্চিত কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে প্ৰসাৰ ভাৰতীৰ ‘ৱেভছ’ অ’টিটিয়ে এই দৃষ্টিভংগীক এক নতুন ডিজিটেল সাংস্কৃতিক আন্দোলনৰ মঞ্চ হিচাপে চিহ্নিত কৰিছে। তেওঁ ভাৰতৰ সাংস্কৃতিক আৰু ভাষিক বৈচিত্ৰ্যক উদযাপন আৰু প্ৰতিনিধিত্ব কৰাটো নিশ্চিত কৰি বহুভাষিক কাৰ্যসূচী আৰু আঞ্চলিক প্ৰচাৰৰ প্ৰতি প্ৰসাৰ ভাৰতীৰ দায়বদ্ধতাক পুনৰ উল্লেখ কৰে। এছিয়া-পেচিফিক সংবাদ মাধ্যমৰ পৰিৱেশৰ প্ৰত্যাহ্বানৰ সন্দৰ্ভত প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে লগতে কয় যে অঞ্চলটোৱে ভুল তথ্য, আস্থা হ্ৰাস, এআইৰ উত্থান, কৰ্মচাৰীৰ অভাৱ আৰু বৃদ্ধি পোৱা কৰ্মবোজা আদি সমস্য বোৰৰ সৈতে যুঁজি আছে। দ্বিবেদীয়ে এছিয়া-পেচিফিক দেশসমূহৰ ৪০০ৰো অধিক আগশাৰীৰ সম্প্ৰচাৰক, নীতি নিৰ্ধাৰক, নিয়ন্ত্ৰক, আৰু সংবাদ মাধ্যমৰ লোকসকলক একত্ৰিত কৰাৰ বাবেও এআইবিডিক প্ৰশংসা কৰে।

000000000

বাংলাদেশৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ২৭ লৈ বৃদ্ধি পাইছে। এই দুৰ্ঘটনাত আহত আন ৭৮ জন লোকে সম্প্ৰতি বিভিন্ন চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰি আছে। দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা শিশুকে ধৰি কুৰি গৰাকী লোকৰ মৃতদেহ বৰ্তমানলৈ সংশ্লিষ্ট পৰিয়ালসমূহক গতাই দিয়া হৈছে। উল্লেখযোগ্য যে বিমান দুৰ্ঘটনাটোত প্ৰাণ হেৰুওৱাসকলৰ ২৫ গৰাকীয়েই শিশু বুলি চৰকাৰী তথ্যত প্ৰকাশ পাইছে।

ooooooooo

উদ্যমিতা সৃষ্টিৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ চাৰিটা ইনকিউবেচন কেন্দ্ৰৰ ভিতৰত নাগালেণ্ড বিশ্ববিদ্যালয় এটা অন্যতম কেন্দ্ৰ হিছাপে নিৰ্বাচিত হৈছে। উত্তৰ-পূব অঞ্চলৰ শিক্ষানুষ্ঠানসমূহত উদ্যোগীকৰণ বিকাশ কেন্দ্ৰ আৰু ইনকিউবেচন কেন্দ্ৰ স্থাপন, বিকাশ, আৰু পৰিচালনা’ শীৰ্ষক প্ৰকল্পটো উত্তৰ-পূব পৰিষদৰ পৃষ্ঠপোষকতাত আৰু ভাৰতীয় উদ্যোগীকৰণ প্ৰতিষ্ঠানৰ দ্বাৰা ৰূপায়িত। প্ৰথম দলত নাগালেণ্ড বিশ্ববিদ্যালয়ৰ কোহিমা কেম্পাছত অৰুণাচল প্ৰদেশৰ ১৬ জন, অসমৰ ৬ জন, মণিপুৰৰ ৪ জন, আৰু বাকী ১৮ জন নাগালেণ্ডৰ হিতাধিকাৰীকে ধৰি ৪৪ জন হিতাধিকাৰীয়ে ভাগ লব । সমগ্ৰ অঞ্চলটোত এই পদক্ষেপৰ অধীনত মুঠ ১৪৫ জন হিতাধিকাৰীক নিৰ্বাচিত কৰা হৈছে, ইয়াৰে ৫০ গৰাকী শীৰ্ষ প্ৰদৰ্শনকাৰীয়ে ৫ লাখ টকাকৈ ষ্টাৰ্টআপ পুঁজি লাভ কৰিব নাগালেণ্ড বিশ্ববিদ্যালয়ৰ উদ্যোগীকৰণ বিকাশ কেন্দ্ৰ আৰু ইনকিউবেচন কেন্দ্ৰৰ সমন্বয়ক ড০ ধ্ৰুবজ্যোতি বৰদলৈয়ে কয় যে এই পদক্ষেপৰ অধীনত উদ্যোগ নেতা আৰু প্ৰতিষ্ঠিত উদ্যোগীসকলৰ দ্বাৰা মেণ্টৰশ্বিপ, কৰ্মশালা, হেকাথনৰ দৰে অনুষ্ঠান আদিও থাকিব।

ooooooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ মহিলাৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ চূড়ান্ত খেলখন আজি ইংলেণ্ডৰ চেষ্টাৰ-লে-ষ্ট্ৰীটত খেলোৱা হ’ব। এইলানি প্ৰতিযোগিতা সম্প্ৰতি ১-১ ব্যৱধানত অমিমাংসীত হৈ আছে। উত্তেজনাপূৰ্ণ হৈ পৰা এই শৃংখলাটোৰ আজিৰ খেলখনেই প্ৰতিযোগিতাৰ ফলাফল নিৰ্ধাৰণ কৰিব।

উল্লেখযোগ্য যে, দুয়োটা দলৰ মাজত ছাউডাম্পটনত অনুষ্ঠিত খেলখনত ভাৰতে জয়লাভ কৰাৰ পাছত লৰ্ডছত অনুষ্ঠিত দ্বিতীয়খন খেলত ইংলেণ্ডৰ দলটোৱে সমতা স্থাপন কৰে। বৰষুণে বিঘিনি ঘটোৱা এই খেলখনত ডাকৱৰ্থ-লুইছ-ষ্টাৰ্ন পদ্ধতিৰ সহায়েৰে ফলাফল নিৰ্ধাৰণ কৰা হয়। এনে প্ৰতিকূল পৰিস্থিতিত পৰাজয়বৰণ কৰিলেও ইংলেণ্ড ভ্ৰমণকালত সামগ্ৰিকভাৱে প্ৰদৰ্শন কৰা খেলৰ জৰিয়তে ভাৰতীয় দলটো সম্প্ৰতি আত্মবিশ্বাসী হৈ আছে। দুয়োটা দলৰ মাজত অনুষ্ঠিত টি-২০ শৃংখলাটোত ভাৰতে ৩-২ ব্যৱধানত জয়লাভ কৰে। আনহাতে এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত প্ৰত্যাহ্বানপূৰ্ণ লক্ষ্য অতিক্ৰম কৰি বিজয় সাব্যস্ত কৰা ভাৰতীয় দলটো বৰ্ষাবিঘ্নিত দ্বিতীয়খন এদিনীয়াত প্ৰতিকূল পৰিস্থিতিৰ বাবে সামৰ্থ্য প্ৰদৰ্শনত ব্যৰ্থ হয়।

ভাৰতীয় দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰৰ বেটিং ফৰ্ম আৰু শেহতীয়া খেলখনত মধ্যমস্থানত বেটিং কৰা খেলুৱৈসকলৰ প্ৰদৰ্শনৰ  বিষয়টোৱে অনুৰাগীসকলৰ মাজত উদ্বেগৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত আজিৰ খেলখনত অধিনায়কগৰাকীয়ে পালন কৰিবলগীয়া ভূমিকা গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

ooooooooo

*সমাপ্ত*